# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
# 0000000000

**Date :** 04-11-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*
**HEADLINES**

ooooooooo

১। নিৰ্বাচন আয়োগে কেৰালা, পাঞ্জাব আৰু উত্তৰ প্ৰদেশৰ ১৪ টা বিধানসভা সমষ্টিৰ বাবে হ'বলগীয়া উপ নিৰ্বাচনৰ দিন সলনি হোৱাৰ কথা ঘোষণা কৰিছে।

২। উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কৈছে যে, ৰাজহুৱা প্ৰশাসনৰ সৈতে জড়িত লোকসকল ৰাষ্ট্ৰবাদ, বিকশিত আৰু সংঘবদ্ধ ভাৰতবৰ্ষৰ ধাৰণা আৰু পক্ষপাতিত্ব অবিহনে দেশৰ সকলো নাগৰিককে সেৱা আগবঢ়োৱাৰ প্ৰমূল্যৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ হোৱা উচিত।

৩। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হেমন্ত চোৰেণ নেতৃত্বাধীন চৰকাৰখনে ৫ বছৰ কাৰ্যকালত ঝাৰখণ্ডৰ লোকসকলক প্ৰৱঞ্চনা কৰিছে বুলি অভিযোগ উত্থাপন কৰিছে।

৪। নতুন আৰু নবীকৰণযোগ্য শক্তিমন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কৈছে যে, ভাৰতে ২০৩০ চনৰ ভিতৰত ৫০০ গিগাৱাট শক্তিসম্পন্ন নবীকৰণযোগ্য শক্তিক্ষমতা লাভ কৰাৰ লক্ষ্যৰে আগবাঢ়িছে। ***আৰু***

৪। আমেৰিকা যুক্তৰাষ্ট্ৰত কাইলৈ বহু প্ৰত্যাশিত ৰাষ্ট্ৰপতি নিৰ্বাচন অনুষ্ঠিত হ'ব।

ooo

নিৰ্বাচন আয়োগে কেৰালা, পাঞ্জাব আৰু উত্তৰ প্ৰদেশৰ ১৪ টা বিধানসভা সমষ্টিৰ বাবে হ'বলগীয়া উপ নিৰ্বাচনৰ দিন সলনি হোৱাৰ কথা ঘোষণা কৰিছে। সেই অনুসৰি এতিয়া এই সমষ্টিকেইটাৰ বাবে ১৩ নৱেম্বৰৰ সলনি ২০ নৱেম্বৰত ভোটগ্ৰহণ কৰা হ'ব। এই ১৪ টা সমষ্টি হৈছে কেৰালাৰ পালাক্কাড় পাঞ্জাবৰ দেৰা বাবা নানক, চাবেবৱাল, গিদ্দেৰবাহা, বাৰ্নালা আৰু উত্তৰ প্ৰদেশৰ মীৰাপুৰ, কুন্দাৰ্কি, গাজিয়াবাদ, খাইৰ, কাৰহাল, চিশ্বামাও, ফুলপুৰ, কাটেহাৰী আৰু মাজহাৱান। এই সমষ্টিসমূহৰ ভোটগণনাৰ দিনৰ কোনো সালসলনি কৰা হোৱা নাই আৰু পূৰ্বৰ দৰে ২৩ নৱেম্বৰতে ভোটগণনা কৰা হব। বিজেপি, কংগ্ৰেছ, বি এছ পিৰ লগতে বিভিন্ন ৰাজনৈতিক দল আৰু কেতবোৰ সামাজিক সংস্থাৰ পৰা লাভ কৰা আবেদনৰ প্ৰতি লক্ষ্য ৰাখি আয়োগে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। এই ৰাজনৈতিক তথা সংস্থাসমূহে অহা ১৩ নৱেম্বৰত কেইবাটাও সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় কাৰ্যসূচী থকাৰ বাবে ভোটগ্ৰহণৰ দিন সলনি কৰিবলৈ দাবী জনাইছিল।

ooo

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কৈছে যে, ৰাজহুৱা প্ৰশাসনৰ সৈতে জড়িত লোকসকল ৰাষ্ট্ৰবাদ, বিকশিত আৰু সংঘবদ্ধ ভাৰতবৰ্ষৰ ধাৰণা আৰু পক্ষপাতিত্ব অবিহনে দেশৰ সকলো নাগৰিককে সেৱা আগবঢ়োৱাৰ প্ৰমূল্যৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ হোৱা উচিত। নতুন দিল্লীত আজি ৰাজহুৱা প্ৰশাসনৰ ভাৰতীয় প্ৰতিষ্ঠান-আই আই পি এৰ সাধাৰণ পৰিষদৰ ৭০ সংখ্যক বাৰ্ষিক বৈঠকত ভাষণ দি উপৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। শ্ৰীধনখড়ে কয় যে, দেশে ঔপনিবেশিক মানসিকতা পৰিহাৰ কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে, তথ্য হৈছে সমাজৰ প্ৰয়োজনসমূহ মূল্যায়ন কৰাৰ প্ৰাথমিক ভেঁটি। সঠিক তথ্যই সমাজৰ পৰা অন্ধবিশ্বাস দূৰ কৰি প্ৰকৃত সত্যৰ প্ৰতি জনসাধাৰণক সজাগ কৰি

সমাজৰ কল্যাণ সাধন কৰে বুলি তেওঁ লগতে উল্লেখ কৰে। শ্ৰীধনখড়ে ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়মৰ ওপৰত আলোকপাত কৰি কয় যে, নতুন ফৌজদাৰী আইন কেইখনে ভাৰতীয় ফৌজদাৰী ন্যায় ব্যৱস্থাক ঔপনিবেশিক উত্তৰাধিকাৰীৰ বান্ধোনৰ পৰা মুক্ত কৰিছে।

০০০

উপৰাষ্ট্ৰপতি জগদীপ ধনখড় পৰহিলৈ এদিনীয়া ভ্ৰমণসূচীৰে চত্তিশগড়লৈ যাব। এই ভ্ৰমণৰ সময়ছোৱাত শ্ৰীধনখড়ে ৰায়পুৰত অনুষ্ঠিত চত্তিশগড় ৰাজ্যিক মহোৎসৱৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হেমন্ত চোৰেণ নেতৃত্বাধীন চৰকাৰখনে ৫ বছৰ কাৰ্যকালত ঝাৰখণ্ডৰ লোকসকলক প্ৰৱঞ্চনা কৰিছে বুলি অভিযোগ উত্থাপন কৰিছে। গড়ৱাৰ চেতনা মৈদানত আজি এখন নিৰ্বাচনী সমাবেশক সম্বোধন কৰি শ্ৰীমোদীয়ে কয় যে, জে এম এম, কংগ্ৰেছ আৰু আৰ জে দিয়ে ভুৱা প্ৰতিশ্ৰুতি প্ৰদান কৰি আহিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে, বিজেপিয়ে ঝাৰখণ্ডৰ সুৰক্ষা, স্থায়ীত্ব আৰু সমৃদ্ধিৰ গেৰেণ্টি লৈ নিৰ্বাচনী যুঁজত প্ৰৱেশ কৰিছে। চাইবাছাত বিজয় সংকল্প সভাক সম্বোধন কৰি শ্ৰীমোদীয়ে কয় যে, কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনৰ আদিবাসীসকলৰ সৱলিকৰণ সম্ভৱ কৰি তুলিছে আৰু ইয়াৰ বিপৰীতে হেমন্ত চোৰেণ নেতৃত্বাধীন চৰকাৰখনে তেওঁলোকক অৱজ্ঞা কৰি আহিছে। প্ৰধানমন্ত্ৰীয়ে কয় যে, ঝাৰখণ্ডত এনে এটা সময়ত নিৰ্বাচন অনুষ্ঠিত হবলৈ গৈ আছে যিটো সময়ত সমগ্ৰ দেশ বিকশিত ভাৰত হোৱাৰ দিশে আগবাঢ়িছে।

প্ৰধানমন্ত্ৰী মোদীয়ে বাংলাদেশী অনুপ্ৰৱেশকাৰীক সমৰ্থন আগবঢ়োৱাৰ বাবে জে এম এম নেতৃত্বাধীন মিত্ৰজোটক সমালোচনা কৰে। শ্ৰীমোদীয়ে কয় যে, ৰাজ্যখনত স্বজন তোষণৰ ৰাজনীতি তুংগত উঠিছে আৰু এই ধাৰা অব্যাহত থাকিলে সমগ্ৰ দেশ তথা জনজাতি সমাজৰ বাবে ই ভাবুকি স্বৰূপ হৈ পৰিব।

০০০

নতুন আৰু নবীকৰণযোগ্য শক্তিমন্ত্ৰী প্ৰহ্লাদ যোশীয়ে আজি কৈছে যে, ভাৰতে ৯০ গিগাৱাট শক্তিসম্পন্ন সৌৰ ক্ষমতা স্থাপন কৰিছে আৰু ২০৩০ চনৰ ভিতৰত ৫০০ গিগাৱাট শক্তিসম্পন্ন নবীকৰণযোগ্য শক্তিক্ষমতা লাভ কৰাৰ লক্ষ্যৰে আগবাঢ়িছে। শ্ৰী যোশীয়ে নতুন দিল্লীত আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰতাৰ সপ্তম সত্ৰৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি এইদৰে কয়। স্বচ্ছ আৰু সেউজ শক্তিৰ বাবে চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতা সন্দৰ্ভত আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, চৰকাৰে ৩৭ দশমিক ৫ গিগাৱাট নৱীকৰণযোগ্য শক্তিসম্পন্ন ৫০ খন সৌৰ উদ্যানৰ বাবে অনুমোদন জনাইছে। উল্লেখযোগ্য যে এইবাৰ ভাৰতৰ অধ্যক্ষতা আৰু ফ্ৰান্সৰ সহ-অধ্যক্ষতাত আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰতা অধিৰেশন অনুষ্ঠিত হৈছে।

## বাইট

০০০

আমেৰিকা যুক্তৰাষ্ট্ৰত কাইলৈ বহু প্ৰত্যাশিত ৰাষ্ট্ৰপতি নিৰ্বাচন অনুষ্ঠিত হ'ব। ৰিপাব্লিকান প্ৰাৰ্থী তথা দেশখনৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প আৰু ডেম'ক্ৰেটিক প্ৰাৰ্থী তথা বৰ্তমানৰ উপ-ৰাষ্ট্ৰপতি কমলা হেৰিছৰ মাজত তুমুল প্ৰতিদ্বন্দ্বিতাৰে যুক্তৰাষ্ট্ৰৰ ৪৭ সংখ্যক ৰাষ্ট্ৰপতিৰ বাবে এই নিৰ্বাচন অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে আমেৰিকা যুক্তৰাষ্ট্ৰত কেইবাটাও টাইম জ'ন থকাৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় সময় অনুসাৰে বিয়লি চাৰে ৫ বজাৰ পৰা চাৰে ৭ বজাৰ ভিতৰত ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হৈ বুধবাৰে পুৱা চাৰে ৫ বজাৰ পৰা চাৰে ৯ বজাৰ ভিতৰত এই প্ৰক্ৰিয়াৰ অন্ত পৰিব। ভোটগ্ৰহণৰ সামৰণিৰ পাছতেই ইয়াৰ ফলাফল আশা কৰিব পৰা যাব যদিও পৰৱৰ্তী ৰাষ্ট্ৰপতিগৰাকীৰ নাম ঘোষণা হোৱালৈ কিছুদিন লাগিব। নিৰ্বাচনী প্ৰচাৰৰ আজি অন্তিম দিনা দুয়োগৰাকী পেঞ্চিলভেনিয়া আৰু মিচিগানত নিৰ্বাচনী প্ৰচাৰত অধিক জোৰ দিয়া দেখা গৈছে। কমলাহেৰিছে পেঞ্চিলভেনিয়াৰ এলেনটাউন, পিটছবাৰ্গ আৰু ফিলাডেলফিয়াত প্ৰচাৰ অভিযানৰ বাবে সাজু হোৱাৰ বিপৰীতে ডোনাল্ড ট্ৰাম্পে পেঞ্চিলৱেনিয়া আৰু মিচিগানৰ পূৰ্বে

উত্তৰ কেৰোলিনাত প্ৰচাৰ চলাব। ইতিমধ্যে বহুতো লোকে পোষ্টেল ভোটদান ব্যৱস্থাৰ জৰিয়তে তেওঁলোকৰ ভোটদান কৰিছে। ফ্লৰিডা বিশ্ববিদ্যালয়ৰ ইলেকচন লেবে প্ৰকাশ কৰা অনুসৰি ৭ কোটি ৮০ লাখ লোকে ইতিমধ্যে ভোটৰ অধিকাৰ সাব্যস্ত কৰিছে। ২০২০ চনত দেশখনত ৰাষ্ট্ৰপতি নিৰ্বাচনত ১৬ কোটি লোকে ভোটদান কৰিছিল যিটো আছিল এটা শতিকাত দেশখনৰ সৰ্বাধিক ভোটদানৰ হাৰ।

০০০

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি অষ্ট্ৰেলিয়াৰ ব্ৰীছ্বেনত ভাৰতৰ নতুন কনচ্'লেট জেনেৰেল আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত সভাত ভাষণ দি ড০ এছ্ জয়শংকৰে কয় যে, এই কনচ্'লেট জেনেৰেলে কুইন্সলেণ্ডৰ সৈতে ভাৰতৰ সম্পৰ্ক শক্তিশালী কৰাৰ লগতে ব্যৱসায়-বাণিজ্য প্ৰসাৰিত কৰা আৰু শৈক্ষিক সংযোগ গঢ়ি তোলা তথা প্ৰবাসী ভাৰতীয়সকলক সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত উল্লেখযোগ্য অৰিহণা আগবঢ়াব। ড০ জয়শংকৰে অষ্ট্ৰেলিয়াত ভাৰতৰ কনচ্'লেট জেনেৰেলৰ উদ্বোধন- ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত ক্ৰমাৎ শক্তিশালী হৈ অহা দ্বিপাক্ষিক সম্পৰ্কৰ ক্ষেত্ৰত বিশেষ মাইলৰ খুঁটি বুলি অভিহিত কৰে। তেওঁ লগতে কয় যে, এই কনচ্'লেট জেনেৰেল হৈছে যোৱা বছৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অষ্ট্ৰেলিয়াত ভাৰতীয় সম্প্ৰদায়ক দিয়া প্ৰতিশ্ৰুতিৰ বাস্তৱিক ৰূপ।

বিদেশ মন্ত্ৰীগৰাকীয়ে কুইন্সলেণ্ডৰ গৱৰ্নৰ ড০ জিন্নেত য়ঙকো সাক্ষাৎ কৰে। এই সাক্ষাৎৰ সময়ছোৱাত দুয়োগৰাকী নেতাই ভাৰত আৰু কুইন্সলেণ্ডৰ মাজত অৰ্থনৈতিক, বাণিজ্যিক আৰু বিনিয়োগ সহযোগিতা শক্তিশালী কৰাৰ সুযোগ আৰু উপায়সমূহৰ বিষয়ে আলোচনা কৰে।

০০০

সমাপ্ত